অসম

ৰাজীৱ ভৱনত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ মৃত্যু বাৰ্ষিকী পালন

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ষষ্ঠ মৃত্যু বাৰ্ষিকী উপলক্ষে গুৱাহাটীৰ ৰাজীৱ ভৱনত সৰ্বধৰ্মীয় প্ৰাৰ্থনা আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়।

প্ৰকাশ: ২৩ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



Congress holds prayers for Tarun Gogoi on sixth death anniversary

গুৱাহাটী, ২৩ নৱেম্বৰ: অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ষষ্ঠ মৃত্যু বাৰ্ষিকী উপলক্ষে শনিবাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত সৰ্বধৰ্মীয় প্ৰাৰ্থনা আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰয়াত নেতাগৰাকীৰ কৰ্মময় জীৱন, জনসেৱাৰ আদৰ্শ আৰু অসমৰ সৰ্বাংগীণ উন্নয়নত আগবঢ়োৱা অৱদানক কংগ্ৰেছৰ নেতা-কৰ্মীসকলে শ্ৰদ্ধাৰে স্মৰণ কৰে।

অনুষ্ঠানৰ আৰম্ভণিতে প্ৰাক্তন সাংসদ বলীন কুলী, বিৰোধী দলৰ প্ৰাক্তন দলপতি দেৱব্ৰত শইকীয়া আৰু বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ টংক বাহাদুৰ ৰায়ে বন্তি প্ৰজ্বলন কৰে। জ্যেষ্ঠ নেতাসকলে প্ৰয়াত গগৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰাৰ পিছত শ্ৰীমদ্ভাগৱত গীতা, কোৰাণ আৰু বাইবেল পাঠেৰে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সম্পন্ন হয়।

সভাত প্রয়াত পিতৃক শ্রদ্ধাঞ্জলি জনাই অসম প্রদেশ কংগ্রেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কয় যে ১৫ বছৰ মুখ্যমন্ত্রী হিচাপে কার্যনির্বাহ কৰাৰ লগতে কেন্দ্রীয় মন্ত্রী আৰু দীর্ঘদিন সাংসদ হৈ থকাৰ পিছতো তৰুণ গগৈৰ বিৰুদ্ধে কেতিয়াও দুর্নীতিৰ অভিযোগ উত্থাপন হোৱা নাছিল। তেওঁ পিতৃৰ পৰাই ৰাজনীতিৰ আদিপাঠ শিকিছিল বুলি উল্লেখ কৰি কয় যে প্রয়াত নেতাগৰাকীয়ে নতুন প্রজন্মক সদায় অগ্রাধিকাৰ দিছিল আৰু তেওঁৰ বহু সপোন এতিয়াও আধৰুৱা হৈ আছে।

দেশৰ ৰাজনৈতিক পৰিস্থিতি সন্দর্ভত গৌৰৱ গগৈয়ে কয় যে বিশ্বৰ বিভিন্ন প্রান্তৰ দৰে ভাৰততো পৰিৱর্তনৰ বতাহ বলিছে আৰু দেশৰ নতুন প্রজন্মই ৰাহুল গান্ধীক প্রধানমন্ত্রী হিচাপে চাব বিচাৰিছে। ভোট চুৰিৰ অভিযোগ তুলি তেওঁ দাবী কৰে যে দেশত বেলট পেপাৰৰ জৰিয়তে নির্বাচন অনুষ্ঠিত হ'ব লাগে। সংবিধান সুৰক্ষাৰ বাবে অহা ২৬ নৱেম্বৰত দেশজুৰি জনজাগৰণ সৃষ্টিৰ কার্যসূচী গ্রহণ কৰা বুলিও তেওঁ জনায়।

স্মৃতিচাৰণ সভাত প্রাক্তন সাংসদ বলীন কুলীয়ে কয় যে মানুহৰ মনস্তত্ত্ব বুজিব পৰা গুণৰ বাবেই তৰুণ গগৈ সকলো শ্রেণীৰ লোকৰ মাজত জনপ্রিয় আছিল। তেওঁ একাংশ প্রাক্তন কংগ্রেছীয়ে বিজেপিত যোগ দি সাম্প্রদায়িক ৰাজনীতি বিয়পোৱা বুলি সমালোচনা কৰে। আনহাতে দেৱব্রত শইকীয়াই প্রয়াত নেতাজনক শান্তি আৰু প্রগতি একেলগে আগবঢ়াই নিব পৰা এগৰাকী অবিসম্বাদী নেতা বুলি অভিহিত কৰে।

প্রাক্তন মন্ত্রী নীলমণি সেন ডেকাই মুখ্যমন্ত্রী হিচাপে তৰুণ গগৈয়ে বিধানসভাত দিয়া ভাষণসমূহ সংগ্রহ কৰি এখন গ্রন্থ প্রকাশৰ পোষকতা কৰে। বিধানসভাৰ প্রাক্তন অধ্যক্ষ টংক বাহাদুৰ ৰায়, মহিলা কংগ্রেছৰ সভানেত্রী মীৰা বৰঠাকুৰ গোস্বামী আৰু প্রচাৰ বিভাগৰ অধ্যক্ষ বেদব্রত বৰায়ো প্রয়াত নেতাগৰাকীৰ বিভিন্ন দিশ আলোকপাত কৰে।

অনুষ্ঠানত বিধায়ক আব্দুছ ছোবাহান আলী সৰকাৰ, প্রাক্তন বিধায়ক সত্যব্রত কলিতা, আমিনুল ইছলাম, বিনন্দ শইকীয়া, প্রাক্তন বিধায়িকা নন্দিতা দাসকে ধৰি প্রদেশ কংগ্রেছৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়ববীয়া আৰু কর্মী উপস্থিত থাকে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5660/tarun-gogoi-death-anniversary-rajiv-bhawan